# দৃশ্য শিল্প

**रूपभेदः प्रमाणानि**
**भावलावण्ययोजनम् ।**
**साद्दश्यं वार्णिकाभङ्ग**
**इति चित्रं षडाङ्गकम् ।।**

ৰূপভেদঃ প্ৰমাণানি
ভাৱলাৱণ্যয়োজনম্।
সাদৃশ্যং ৱাৰ্ণিকভংগ
ইতি চিত্ৰম ষডাঙ্গকম।।

**অৰ্থ**

কলাৰ ছয়টা অঙ্গ হৈছে:

- অবয়বৰ জ্ঞান,
- অনুপাত,
- আৱেগ,
- নান্দনিকতা,
- সাদৃশ্য,
- সঁজুলি আৰু ৰঙৰ দক্ষ ব্যৱহাৰ।

*উৎস: বিষ্ণুধৰ্মোত্তৰ পুৰাণ*



# শিক্ষকসকললৈ টোকা

## শ্ৰেণীকোঠা আৰু সমলসমূহ

১. শিক্ষাৰ্থীসকলে আৰামেৰে বহি কাম কৰিব পৰাকৈ পৰ্যাপ্ত স্থান।
২. শ্ৰেণীকোঠাত পৰ্যাপ্ত পোহৰ আৰু বায়ুৰ চলাচল।
৩. উপযুক্ত বতৰত বাহিৰত বহিব পৰা বিকল্প।
৪. কলা সামগ্ৰী, আহিলা আৰু ষ্টেচনেৰী আদিৰ মৌলিক ব্যৱস্থা।
৫. সামগ্ৰীবোৰ সুৰক্ষিতভাৱে ৰখাৰ বাবে লগতে সুসংগঠিত ধৰণে শিক্ষাৰ্থীসকলৰ শিল্পকৰ্ম ৰখাৰ স্থান।
৬. কৰ্ম প্ৰদৰ্শন আৰু সহভাগ কৰাৰ বাবে তথা নিয়মীয়াকৈ সলনি কৰিব পৰা প্ৰদৰ্শন ফলকৰ ব্যৱস্থা।
৭. শিক্ষাৰ্থীসকলক ক্ষেত্ৰ ভ্ৰমণ, সংগ্ৰহালয়লৈ নয়ন বা বিদ্যালয় চৌহদত কলা কৰ্মশালা অনুষ্ঠিত কৰাৰ সুবিধা।
৮. প্ৰাসঙ্গিক ছবি, ভিডিঅ' আৰু অন্যান্য কলা সম্পদ দেখুওৱাৰ বাবে প্ৰজেক্টৰ, কম্পিউটাৰ, স্পীকাৰ আৰু এনে অন্যান্য সুবিধা।

## শিক্ষাবিজ্ঞান

১. শিক্ষাৰ্থীসকলক তেওঁলোকৰ নিজৰ ধাৰণা, কল্পনা, আৱেগ আৰু কৌতুহল প্ৰকাশ কৰিবলৈ উদগনি দিয়ক আৰু তেওঁলোকৰ মৌলিকতা আৰু নিষ্পাপতাক তেওঁলোকৰ কামত প্ৰতিফলিত হ'বলৈ দিয়ক।
২. শিক্ষাৰ্থীসকলক শ্ৰেণীকোঠাত অন্বেষণ, অনুসন্ধান, পৰীক্ষা আৰু সংলাপ কৰিবলৈ অনুমতি দিয়া কাৰ্যকলাপবোৰক প্ৰাথমিকতা দিয়ক।
৩. বাহিৰৰ কাৰ্যকলাপ, সংগ্ৰহালয়লৈ ক্ষেত্ৰ ভ্ৰমণ, চিবিচিএছ, আৰ্ট গেলেৰী, আৰ্ট ষ্টুডিঅ'ৰ লগতে স্থানীয় উদ্যান, বাগিচা, বজাৰ, উৎসৱ, আৰু মেলাৰ অন্তৰ্ভুক্ত কৰিব য'ত শিক্ষাৰ্থীসকলে তেওঁলোকৰ চাৰিওফালৰ জীৱন আৰু সংস্কৃতি পৰ্যবেক্ষণ কৰাৰ সুযোগ পায়।
৪. স্থানীয় শিল্পী আৰু হস্তকৰ্মশিল্পীসকলক সম্ভাষণমূলক সত্ৰ তথা কৰ্মশালাৰ বাবে আমন্ত্ৰণ জনাব।
৫. কাম কৰাৰ পিছত পৰিষ্কাৰ কৰাৰ সৰল অভ্যাস গঢ়ি তোলা, ব্যৱহাৰ কৰা সামগ্ৰীবোৰ ঘূৰাই দিয়া আৰু যত্নেৰে কলা সামগ্ৰী ৰক্ষণাবেক্ষণ কৰা।
৬. শিক্ষাৰ্থীসকলে শিল্পকৰ্ম বাছনি আৰু প্ৰদৰ্শনৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাত দিশত অংশগ্ৰহণ কৰিব লাগে।
৭. শিক্ষাৰ্থীসকলক কেনেদৰে আঁকা হয় দেখুৱাবলৈ ফলকত বা টোকাবহীত অংকন কৰা পৰিহাৰ কৰিব।
৮. পঢ়াৰ সময়ত শিক্ষাৰ্থীসকলে কলাৰ উপাদানবোৰ - ৰেখা, আকৃতি, ৰূপ, ৰং, মূল্য, গাঁথনি আৰু স্থান আদি ৰেখাঙ্কিত কৰে ।
৯. 'অব্যাহত' শীৰ্ষকৰ অধীনত কাৰ্যকলাপবোৰ ব্যায়ামবোৰৰেই সম্প্ৰসাৰণ আৰু ঘৰত বা বিদ্যালয়ত কৰিব পাৰি।

© NCERT not to be republished



অধ্যায় ১

# বস্তু আৰু স্থিৰ পদাৰ্থ

প্ৰথম অধ্যায়লৈ স্বাগতম, য'ত কলাৰ দৃশ্যই বস্তু আৰু স্থিৰ পদাৰ্থৰ জগতৰ জড়িয়তে একোটা কাহিনীৰ বৰ্ণন কৰিব। তুমি স্থিৰ বস্তুবোৰত প্ৰাণ যোগ দিবলৈ শিকিবা।

## কেনেকৈ?

- তেওঁলোকৰ সৈতে কেনেদৰে সংযোগ কৰিব লাগে তাক শিকি।
- তেওঁলোকক আগুৰি এটি কাহিনী নিৰ্মাণ কৰি।
- ৰচনামূলক ব্যৱস্থাৰ পালন কৰি।
- তেওঁলোকৰ ওপৰত পোহৰ কেনেকৈ পৰি ছাঁৰ সৃষ্টি কৰে সেইটো লক্ষ্য কৰি।
- আনকি সেইবোৰ এটা বিন্দুৰ পৰা পৃথক যেন লাগিলেও, সেইবোৰ আন এটা দৃষ্টিকোণৰ পৰা কেনেদৰে উৰ্ধপতন কৰিব।

প্ৰতিটো অংকনেই তোমাৰ পৰ্যৱেক্ষণ গভীৰতৰ কৰিব আৰু তুমি তোমাৰ চাৰিওফালৰ বস্তুবোৰ প্ৰত্যক্ষ কৰাৰ সময়তেই উপস্থাপন কৰা আৰম্ভ কৰিবা।

প্ৰতিটো কাৰ্যকলাপেই তোমাৰ আকৃতি (দ্বি-মাত্ৰিক) চিনাক্তকৰণৰ দক্ষতা তীক্ষ্ণ কৰিব। তুমি বস্তুবোৰত গভীৰতা যোগ দি কেনেদৰে ত্ৰিমাত্ৰিকৰূপত ভিন্ন ধৰণ সৃষ্টি কৰিব লাগে বুজিবা।



স্থিৰ পদাৰ্থ

0680CH01



এজন শিক্ষাৰ্থীৰ বিভিন্ন বস্তু আঁকা ছবি দেখুওৱা হৈছে

তুমি ফ্লিপ কিতাপ নিৰ্মাণ কৰা আদি ৰোমাঞ্চকৰ কাৰ্যকলাপও পাবা। গতিকে তোমাৰ সৃষ্টিশীলতাক প্ৰজ্বলিত কৰি তুলিবলৈ আৰু শৈল্পিক প্ৰতিভাক প্ৰতিপালন কৰিবলৈ সাজু হোৱা।

© NCERT not to be republished







বিভিন্ন ধৰণে বস্তু চিত্ৰণ কৰা শিক্ষাৰ্থীসকল

## কাৰ্য্য ১: চাৰিদিশৰ বস্তুবোৰ নিৰীক্ষণ কৰা

তোমাৰ চাৰিওফালে চোৱা আৰু বিভিন্ন বস্তুবোৰ পৰ্যবেক্ষণ কৰা। প্ৰতিটো বস্তু কি সামগ্ৰীৰে তৈয়াৰ কৰা হৈছে? বিৰাম দিয়া আৰু সেইবোৰ কিয় এনে এক নিৰ্দিষ্ট আকৃতিৰ সেই বিষয়ে চিন্তা কৰা। তেওঁলোকৰ আকৃতি আৰু ৰূপৰ আঁৰত কোনো কাৰণ আছে নে? লগতে, এই বস্তুবোৰৰ চাৰিওফালৰ স্থান পৰ্যবেক্ষণ কৰা। ইফাল সিফাল ঘূৰি চোৱা আৰু বিভিন্ন কোণৰ পৰা বস্তুবোৰ পৰ্যবেক্ষণ কৰা। কিছু সময় পৰ্যবেক্ষণ কৰাৰ পিছত, তুমি আঁকিব বিচৰা দুটা বা তিনিটা বস্তু বাছনি কৰা।

## কাৰ্য্য ২: বিভিন্ন প্ৰকাৰে বস্তুটি চিত্ৰণ কৰা

প্ৰতিজন ব্যক্তিয়ে ভিন্ন ধৰণে ছবি আঁকে। ই তেওঁলোকৰ অভিব্যক্তিক বিশেষ কৰি তোলে। তুমি চেষ্টা কৰিব পৰা কিছুমান ধাৰণা ইয়াত আছে:

1. তুমি এটি ৰেখা নিৰন্তৰ ভাৱে ব্যৱহাৰ কৰি বস্তু এটা আঁকিব পাৰা। ইয়াৰ অৰ্থ হৈছে, তুমি বস্তুটো আঁকি থাকোঁতে কাগজৰ পৰা তোমাৰ পেঞ্চিল তুলিব নোৱাৰা। তোমাৰ সহপাঠীসকলক সোধা যে তেওঁলোকে এই অংকনৰ পৰা বস্তুটো চিনাক্ত কৰিব পাৰিবনে।
2. তুমি বস্তুটোৰ বিভিন্ন অংশ আঁকিব পাৰা। উদাহৰণ স্বৰূপে, পানীৰ বটল এটা আঁকি থাকোঁতে, প্ৰতিটো অংশ (টুপী, পাত্ৰ আদি) পৃথকে আঁকা। অনুপাতৰ প্ৰতি পাৰ্থক্য লক্ষ্য কৰা।
3. একেটা বস্তু তিনিটা ভিন্ন দিশৰ পৰা আঁকিবলৈ চেষ্টা কৰা। তোমাৰ বা বস্তুটোৰ স্থান সলনি কৰা চোৱা। বস্তুটো তুমি মজিয়াত বা ওলোমাই ৰাখি চোৱা। তুমি তিনিখন চিত্ৰ অংকন শেষ কৰাৰ পিছত, সেইবোৰ তোমাৰ সহপাঠীসকলৰ সৈতে সহভাগ কৰা। তিনিটা দিশৰ ভিতৰত কোনটো দিশৰ চিত্ৰ তেওঁলোকে আটাইতকৈ আকৰ্ষণীয় ?যেন অনুভৱ কৰিছে?

## সাথৰ

কোন মই?
তোমাৰ গতিৰ কৰোঁ অনুসৰণ
নাই মোৰ কোনো মুখ বা নাই ৰূপ
দেখি পাবা তুমি মোক
পিছে নোৱাৰা কৰিব স্পৰ্শ
কোন মই?

সাথৰৰ উত্তৰ: ছাঁই

© NCERT not to be republished

**অব্যাহত:** ঘৰত পোৱা বিভিন্ন সামগ্ৰীৰ বস্তু আঁকা। কাঠ, ধাতু, মাটি, প্লাষ্টিক, কাপোৰ আদিৰে তৈয়াৰ কৰা বস্তু বিচাৰা। সেইবোৰ য'ত কিছু পোহৰ আছে তাত ৰাখা। বহিঃৰেখাংকিত চিত্ৰ এখন সৃষ্টি কৰা আৰু আন্ধাৰ আৰু পোহৰৰ এলেকাবোৰ মেপ কৰিবলৈ চেষ্টা কৰা। ছাঁৰ ৰং আৰু আকৃতি লক্ষ্য কৰা, আৰু এইবোৰ তোমাৰ অংকনত অন্তৰ্ভুক্ত কৰা।





শিক্ষাৰ্থীৰ শিল্পকৰ্মত পোহৰ আৰু ছাঁ দেখুওৱা হৈছে

## কাৰ্য্য ৩: পোহৰ আৰু ছাঁ

তোমাৰ সন্মুখত বিভিন্ন বস্তু ৰাখা।

- সেইবোৰৰ প্ৰতিটোত ছাঁ আৰু পোহৰ কেনেদৰে পৰে, সেই আকৃতি বোৰৰ প্ৰতি লক্ষ্য কৰা।
- সেইবোৰৰ ছাঁৰ আকৃতি কেনে?
- বস্তুবোৰৰ কোনফালে তুমি ছাঁ দেখিছা?

এডাল পেঞ্চিল লৈ কেইটিমান পৰীক্ষা চেষ্টা কৰা। তুমি প্ৰতি দিশত লয়াত্মক ভাৱে অঙ্কন কৰাই প্ৰতি পেঞ্চিলৰ চাপ সলনি কৰিবা। তুমি পোহৰ আৰু অন্ধকাৰৰ মাত্ৰা সৃষ্টি কৰিবলৈ সক্ষম নে?

তুমি ইয়াক পৃথক কাগজ বা অংকন কিতাপ এখনত অনুশীলন কৰাৰ পিছত, তোমাৰ সন্মুখত থকা বস্তুবোৰ আঁকা।

বস্তুবোৰৰ বহিঃৰেখাৰ ভিতৰতেই, পাতলৰ পৰা মধ্যম আৰু তাৰ পৰা ডাঠ টোন বা মাত্ৰালৈ পেঞ্চিলৰ ষ্ট্ৰোক কৰা। লগতে, ছাঁবোৰ লক্ষ্য কৰা আৰু ইয়াক তোমাৰ চিত্ৰত দেখুওৱা।

## তুমি জানানে

অমৃতা শ্বেৰ-গিল এগৰাকী উল্লেখনীয় আধুনিক ভাৰতীয় মহিলা শিল্পী। তেখেতৰ জন্ম ১৯১৩ চনত হৈছিল। তেখেতৰ মাক হাংগেৰীৰ আৰু দেউতাক ভাৰতৰ আছিল। তেখেতে পেৰিছত চিত্ৰকলা অধ্যয়ন কৰিছিল। ২১ বছৰ বয়সত তেওঁ ভাৰতলৈ ঘূৰি আহিছিল। তেখেতে তেখেতৰ কেনভাচ, অইল পেইণ্ট আৰু তুলিকাৰ সৈতে সৰু চহৰ আৰু গাওঁবোৰৰ চতুৰ্দ্দিশ ভ্ৰমণ কৰি ফুৰিছিল। তেখেতৰ চিত্ৰবোৰত মাটিৰ ৰং বিদ্যমান। তেওঁ সাধাৰণ ভাৰতীয় চহা লোকৰ জীৱন আৰু পৰিস্থিতি পৰ্যবেক্ষণ কৰি গভীৰভাৱে প্ৰভাৱিত হৈছিল, আৰু এই বিষয়বস্তুৰ ওপৰত আধাৰিত কৰি চিত্ৰ নিৰ্মাণ কৰিছিল।





অমৃতা শ্বেৰ-গিলৰ দ্বাৰা স্থিৰ পদাৰ্থৰ চিত্ৰ

এই চিত্ৰত দেখা বস্তু, সজ্জা, পোহৰ, ছাঁৰ বিষয়ে আলোচনা আৰু কথা পাতা।

## কাৰ্য্য ৪: এজন শিল্পীৰ দৃষ্টিত

শিল্পীসকলৰ বস্তু অধ্যয়ন কৰাৰ অভ্যাস আছে। তেওঁলোকে অংকন, চিত্ৰ, ভাস্কৰ্য আৰু আলোকচিত্ৰ সৃষ্টি কৰিবলৈ সেইবোৰক এটা গোটত সজ্জিত কৰে। এনে শিল্পকৰ্মক স্থিৰ পদাৰ্থ বুলি কোৱা হয়। স্থিৰ পদাৰ্থ, বস্তুবোৰৰ বাছনি আৰু সেইবোৰ কেনেদৰে সজ্জিত কৰা হয় তাৰ ওপৰত যথেষ্ট চিন্তা কৰা হয়।

ফুল, উদ্ভিদ, পাচলি, ফল, খাদ্য সামগ্ৰী, কাপোৰ, সঁজুলি আৰু অন্যান্য ঘৰুৱা বস্তুও স্থিৰ পদাৰ্থ সূচীত অন্তৰ্ভুক্ত কৰা হয়।

এনেবোৰক স্থিৰ পদাৰ্থ কোৱাৰ কাৰণ তুমি কি বুলি ভাবা? যদি কোনো বস্তুৰ জীৱন নাথাকে, ই স্থিৰ পদাৰ্থ হ'বনে?

স্থিৰ পদাৰ্থৰ শিল্পকৰ্মবোৰে স্থিৰ হৈ থকা বা লৰচৰ নকৰা বস্তুবোৰক দৰ্শায়। শিল্পকৰ্মটো তৈয়াৰ কৰাৰ এই প্ৰক্ৰিয়াত, বস্তু বোৰে এক নতুন 'জীৱন' লাভ কৰে। প্ৰখ্যাত শিল্পীসকলৰ দ্বাৰা নিৰ্মিত স্থিৰ পদাৰ্থ চিত্ৰবোৰ চোৱা আৰু সেইবোৰ তোমাৰ শ্ৰেণীত আলোচনা কৰা।




## কাৰ্য্য ৫: তোমাৰ স্বকীয় স্থিৰ পদাৰ্থ চিত্ৰ নিৰ্মাণ কৰা

চাৰিৰ পৰা পাঁচজনৰ একোটা গোট বনোৱা আৰু এটা বৃত্তত বহা। বৃত্তটোৰ কেন্দ্ৰত দুইৰ পৰা তিনিটা বস্তু ৰাখা। বিভিন্ন সামগ্ৰীৰে তৈয়াৰ কৰা বস্তু যেনে বটল, ফল, ধাতুৰ কম্পাচ, কাঠৰ ৰুলাৰ, কাপোৰৰ টুকুৰা বা তোমাৰ মন যোৱা যিকোনো বস্তু ৰাখিবলৈ চেষ্টা কৰা। তোমাৰ গোটত বিভিন্ন ধৰণে আলোচনা কৰা যে কি ধৰণে বস্তুবোৰ ৰাখিব বা সজাব পাৰি। বস্তুবোৰে এটাই আনটোক স্পৰ্শ কৰিব পাৰে বা তুমি সেইবোৰ চাৰিওফালে সিঁচৰতি কৰিবও পাৰা। পিছে এইটো নিশ্চিত কৰিবা যাতে বৃত্ত উপস্থিত সকলোৱে বস্তুবোৰৰ সজ্জা যেন স্পষ্টভাৱে চাব পাৰে।

তোমাৰ নিজৰ স্থিৰ পদাৰ্থ সৃষ্টি কৰিবলৈ বস্তুবোৰ পৰ্যবেক্ষণ কৰা আৰু আঁকা।



© NCERT not to be republished




## কাৰ্য্য ৬: আচবাবৰ অংকন

তুমি বিদ্যালয়ত আৰু ঘৰত কি কি বিভিন্ন প্ৰকাৰৰ আচবাব দেখিছা? যিকোনো দুই বা তিনিটা আচবাব লক্ষ্য কৰা আৰু আঁকা। তোমাৰ অংকনবোৰ প্ৰকৃত অবজেক্টৰ সৈতে তুলনা কৰা। তুমি বস্তুটোত থকা সৰল ৰেখা, কোণ আৰু আকৃতিৰে ,সৈতে অঙ্কিত সৰল ৰেখা, কোণ আৰু আকৃতিবোৰ তুলনা কৰা।

তোমাৰ অংকন নিখুঁত কৰা যাতে ই বস্তুটোৰ চাৰিওফালৰ প্ৰয়োজনীয় মাত্ৰা আৰু গভীৰতা প্ৰদান কৰে। ইয়াক দৃষ্টিকোণ বুলি কোৱা হয়। ই আমাক ত্ৰিমাত্ৰিক স্থানৰ অনুভৱ এনে কৰোৱাই যেন আমি ইয়াক আমাৰ সন্মুখতেই দেখি আছোঁ।

একোটা সৰু গোটত, তোমাৰ সহপাঠীৰ কামবোৰ চোৱা আৰু কাৰ কামৰ দৃষ্টিকোণ আছে বিশ্লেষণ কৰক। দৃষ্টিকোণ দেখুওৱাত সহায় কৰা ৰেখা, আকৃতি আৰু প্ৰকাৰবোৰ চিনাক্ত কৰা।


**অব্যাহত:** অট্টালিকাৰ অংশ হোৱা বস্তুবোৰ পৰ্যবেক্ষণ কৰা আৰু আঁকা যেনে- দুৱাৰ, খিৰিকী, পাইপ, টেপ, শ্বাটাৰ, ফেন আৰু লাইট আদি।



© NCERT not to be republished

## কাৰ্য্য ৭: এখন ফ্লিপকিতাপ বনোৱা

তোমাৰ চয়ন কৰা বস্তুবোৰে তোমাৰ চিত্ৰত যদি গতি কৰিব পাৰে তেন্তে আনন্দৰ বিষয় নহ'বনে? ফ্লিপকিতাপ এখন তৈয়াৰ কৰি এনে কৰিব পাৰা।
তলৰ নিৰ্দেশনাবোৰ অনুসৰণ কৰক:




**ক্ৰম ১:** A4 পাত এখিলা আঠটি সমান টুকুৰাত কাটি এটা স্তূপ বনোৱা। টুকুৰাবোৰ চুৰ্টি ফালৰ পৰা একেলগে ষ্টেপল কৰা। তোমাৰ কিতাপখন সাজু!
**ক্ৰম ২:** ফ্লিপকিতাপৰ অন্তিম পৃষ্ঠাত, বস্তু এটা বাছনি কৰক আৰু ইয়াক সোঁ কাষৰ ওচৰলৈ আঁকি লোৱা। পেঞ্চিল এডালেৰে আঁকা আৰু যদি তুমি বিচাৰা আন বিৱৰণও যোগ দিয়া। যেতিয়া তুমি তোমাৰ অংকনত সুখী হয়, ইয়াক মাৰ্কাৰেৰে ৰূপৰেখা প্ৰস্তুত কৰক।



















**ক্ৰম ৩–৬:** এতিয়া, তোমাৰ চয়ন কৰা বস্তুটোত গতি যোগ দিয়াৰ সময়! ফ্লিপকিতাপৰ অন্তিমৰ পৰা দ্বিতীয় পৃষ্ঠাত, প্ৰথম চিত্ৰটো পেঞ্চিল এডালেৰে অনুসৰণ কৰা। বস্তুটোৰ অৱস্থানৰ অতি সামান্য সলনি কৰা। সামান্য পৰিৱৰ্তনৰ সৈতে তুমি চিত্ৰটো প্ৰতিটো পৃষ্ঠাতেই সম্পূৰ্ণ নহোৱালৈকে এই ক্ৰমটো পুনৰাবৃত্তি কৰা।
**ক্ৰম ৭:** তোমাৰ ফ্লিপকিতাপৰ পৃষ্ঠাবোৰ দ্ৰুতভাৱে ফ্লিপ কৰা। তুমি তোমাৰ চিত্ৰটো গতি কৰা দেখিবা।

আৰু অনেক ক্ৰিয়া বা গতি কৰাবলৈ তুমি ফ্লিপকিতাপখনত পৃষ্ঠাৰ সংখ্যা বৃদ্ধি কৰিব পাৰা!

© NCERT not to be republished